# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

| J | 3 | 6 | 1 | 3 |
|---|---|---|---|---|

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________
(In words)

Time : **2 $^1/_2$** hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **16**

Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal / polythene bag on the booklet. Do not accept a booklet without sticker-seal / without polythene bag and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील / पोलिथीन बैग को फाड़ लें । खुली हुई या बिना स्टीकर-सील / बिना पोलिथीन बैग की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण** : Ⓐ Ⓑ ● Ⓓ जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**

## ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৭৫) (পয়সত্তৰ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (২)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া আছে । তাৰ মাজৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ।

**1.** এনে এবিধ সাহিত্য, য'ত ছন্দধ্বনি থাকে, অন্ত্যানুপ্ৰাস অথবা শেষ বৰ্ণৰো মিল থাকে, কিন্তু পংক্তিৰ দীৰ্ঘতা বা ধ্বনিৰ সংখ্যা সমান নহয় । এইবিধ সাহিত্যত ৰামায়ণ, মহাভাৰত তথা বিভিন্ন পুৰাণাদিৰ আখ্যানৰ প্ৰভাৱ আৰু কোনো কোনো ক্ষেত্ৰত তাৰ বিকৃত লৌকিক ৰূপো পোৱা যায় । এনে লক্ষণযুক্ত সাহিত্য বিধ হ'ল :

(A) বাৰমাহী গীত (B) চৰ্যাগীত
(C) কাহিনীগীত (D) মন্ত্ৰ

**2.** "স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱনত মিলয় আনন্দ"
– এই পদফাঁকিৰ ৰচয়িতা কোন ?

(A) শংকৰদেৱ (B) অনন্ত কন্দলি
(C) মাধৱ কন্দলি (D) শ্ৰীধৰ কন্দলি

**3.** প্ৰথম পুৰুষৰ ভৱিষ্যত কালত 'বো' প্ৰত্যয়ৰ বাহিৰেও আধুনিক অসমীয়াৰ 'ম' প্ৰত্যয়ৰ ব্যৱহাৰ আৰু তৎসম তথা তদ্ভৱ শব্দ প্ৰয়োগৰ সমতা ৰক্ষা কৰি বাক্য ৰচনা কৰা - এনে বৈশিষ্ট্যপূৰ্ণ ভাষা প্ৰয়োগ কৰা প্ৰাচীন অসমীয়া লেখক জন হ'ল :

(A) ভট্টদেৱ (B) শংকৰদেৱ
(C) ৰঘুনাথ মহন্ত (D) মাধৱদেৱ

**4.** "কথা ৰূপে ভক্তসবে চৰ্চে ঠাই ঠাই
পদছন্দে কৰিবাক মোৰ অভিপ্ৰায় "
– এনেদৰে 'চৰিত তোলা' প্ৰথাৰপৰা পদছন্দত লিখিবলৈ অনুপ্ৰেৰণা পোৱা চৰিতকাৰজন হ'ল :

(A) পুৰুষোত্তম ঠাকুৰ
(B) অনিৰুদ্ধ দাস
(C) দামোদৰদেৱ
(D) গোৱিন্দ দাস

**5.** দৰঙৰ ৰজা সমুদ্ৰ নাৰায়ণৰ আদেশত বলদেৱ সূৰ্যখৰি দৈৱজ্ঞই ৰচনা কৰা কোচ ৰজাসকলৰ বিৱৰণসম্বলিত গ্ৰন্থখনৰ প্ৰকাশিত ৰূপৰ নামটো হ'ল :

(A) শিৱ বংশাৱলী
(B) ৰাজ বংশাৱলী
(C) সমুদ্ৰ নাৰায়ণৰ বংশাৱলী
(D) দৰং ৰাজবংশাৱলী

**6.** ১৮৬৭ চনত যাদুৰাম ডেকা বৰুৱাৰ বৰ্ণ বিন্যাসৰ ৰীতিক ভিত্তি কৰি অসমীয়া ভাষাৰ শব্দাৱলীৰ মান নিৰ্ণয় কৰিবৰ উদ্দেশ্য ৰচনা কৰা অভিধানখনৰ নাম হ'ল :

(A) ইংৰাজি – অচমিয়া অভিধান
(B) অচমিয়া – ইংৰাজি অভিধান
(C) অসমীয়া অভিধান
(D) Assamese – English Dictionary

**7.** "………এই যুগটো ভাষাৰ ক্ষেত্ৰত বাট বিচৰা, বাট কটাৰ যুগ । ......... অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্যসৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত নাঙল চোঁচৰালে" – এই উক্তিটি কাৰ ?

(A) ডিম্বেশ্বৰ নেওগ
(B) সত্যেন্দ্ৰনাথ শৰ্মা
(C) মহেশ্বৰ নেওগ
(D) লক্ষ্মীনাথ বেজবৰুৱা

**8.** এ.কে. গাৰ্নীৰ 'কামিনীকান্ত' উপন্যাসখনৰ পটভূমি হ'ল :

(A) অসম (B) শ্ৰীৰামপুৰ
(C) কোচবিহাৰ (D) কলিকতা

**9.** মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ‘দ্বিতীয় সোণালী যুগ’ বুলি কোনটো যুগক অভিহিত কৰিছে ?

(A) শংকৰী যুগ

(B) বেজবৰুৱাৰ যুগ

(C) বিস্তাৰ যুগ

(D) আদি ব্ৰিটিশ যুগ

**10.** “পৰ্বত জীয়াৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই;
নুশুভা ফুলটি নুফুলা কলিটিৰ
মালতীত তুলনা পায় ।”

– এই স্তৱকটিত কি অলংকাৰৰ প্ৰয়োগ হৈছে ?

(A) উৎপ্ৰেক্ষা (B) ৰূপক

(C) উপমা (D) ব্যতিৰেক

**11.** তলত দিয়া চাৰিটা বাক্যৰপৰা যৌগিক বাক্যটো বাছি উলিওৱাঁ ।

(A) তাক আমি বিশ্বাস কৰিব নোৱাৰোঁ, যদিও জানো যে সি আমাৰ দূৰ সম্পৰ্কীয় লোক । যেতিয়া আমাৰ অৱস্থা ভাল আছিল তেতিয়া সি আমাৰ ওচৰলৈ আহিছিল ।

(B) বেলি পূবপিনে ওলায় । পশ্চিমপিনে মাৰ যায় । সেই সময়ত গৰুবোৰ পথাৰৰপৰা ঘৰলৈ ঘূৰি আহে ।

(C) যদি খেতিবাতি ভাল হয়, তেতিয়া হ’লে সাধাৰণ মানুহৰ দুখ গুচিব ।

(D) সাধাৰণভাৱে জীৱন কটালেও তেওঁ মানুহৰ পৰা যথেষ্ট সন্মান পাইছিল ।

**12.** ‘কদমফুলীয়া’ – এই শব্দটোৰ গঠন প্ৰক্ৰিয়াটো হ’ল ঃ

(A) মুক্তৰূপ + যুক্তৰূপ

(B) মুক্তৰূপ + (মুক্ত + যুক্ত) ৰূপ

(C) মুক্তৰূপ + যুক্তৰূপ + যুক্তৰূপ

(D) মুক্তৰূপ + (যুক্ত + যুক্ত) ৰূপ

**13.** অসমীয়া লিপিৰ আঁতিগুৰি বিচাৰি ওচৰ চাপিব পৰা সৰ্বপ্ৰাচীন শিলালিপিখন হ’ল :

(A) কানাই বৰশী বোৱা শিলালিপি

(B) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(C) উমাচল শিলালিপি

(D) নীলাচল কামাখ্যা মন্দিৰ শিলালিপি

**14.** যি ছন্দৰীতিৰ ছন্দ নৃত্যধৰ্মী, প্ৰত্যেকটো অযুগ্ম ধ্বনি একমাত্ৰা আৰু যুগ্মধ্বনি দুইমাত্ৰা হয় তথা যুগ্মধ্বনিৰ বিশিষ্ট ব্যৱহাৰে বাকতন্ত্ৰীৰ উত্থান-পতন তীব্ৰ কৰি তোলে - তেনে বৈশিষ্ট্যযুক্ত ছন্দৰীতিৰ নাম হ’ল ঃ

(A) স্বৰবৃত্ত (B) মাত্ৰাবৃত্ত

(C) যৌগিক (D) মিত্ৰাক্ষৰ

**15.** নাটকত ‘contrast’ৰ বিশেষ গুৰুত্ব আছে । তাৰ ভিতৰত নাটকীয় পৰিহাস অন্যতম । এই নাটকীয় পৰিহাস সৃষ্টি হোৱাৰ পৰিস্থিতিটো হ’ল :

(A) মঞ্চত প্ৰদৰ্শিত প্ৰসঙ্গ এটাৰ অৰ্থ দৰ্শকৰ কাৰণে উদ্বেগজনক, নাটকীয় চৰিত্ৰৰ কাৰণে সাধাৰণ পৰিস্থিতি ।

(B) মঞ্চত প্ৰদৰ্শিত প্ৰসঙ্গ এটাৰ অৰ্থ দৰ্শক আৰু নাটকীয় চৰিত্ৰ উভয়ৰে কাৰণে উদ্বেগজনক হোৱাৰ পৰিস্থিতি ।

(C) মঞ্চত প্ৰদৰ্শিত প্ৰসঙ্গ এটাৰ অৰ্থ দৰ্শকৰ কাৰণে এক ৰকমৰ আৰু নাটকীয় চৰিত্ৰৰ কাৰণে অন্য এক ৰকমৰ হোৱাৰ পৰিস্থিতি ।

(D) মঞ্চত প্ৰদৰ্শিত প্ৰসঙ্গ এটাৰ অৰ্থ দৰ্শক আৰু নাট্যকাৰৰ বাবে হোৱাৰ পৰিস্থিতি ।

**16.** আহোম ডাঙৰীয়াসকলে পৰিধান কৰা সাজপাৰ বিধ হ’ল :

(A) আৰোৱান (B) লটকন

(C) কৌপিন (D) বচোৱাল

**17.** ‘খেৰাই পূজা’ পালন কৰা জনগোষ্ঠীটোৰ নাম হ’ল :

(A) গাৰো (B) বড়ো

(C) লুচাই (D) মিজো

**18.** ফৰাচী ভাষাতত্ববিদ ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ তলৰ কোনটো তত্বৰ প্ৰবক্তা আছিল ?

(A) নিৰ্গঠনবাদ (Deconstruction)

(B) ঔপনিবেশিকতাবাদ (Colonialism)

(C) গঠনবাদ (Structuralism)

(D) উত্তৰ গঠনবাদ (Post Structuralism)

**19.** অসমীয়াৰ লক্ষ্মীনাথ বেজবৰুৱা আৰু হিন্দীৰ ভাৰতেন্দু হৰিশ্চন্দ্ৰ ক্ৰমে নিজ নিজ সাহিত্যৰ আধুনিক যুগৰ ভেটি নিৰ্মাতাৰ ৰূপত স্বীকৃত । এওঁলোক দুজনক সামৰি তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব পৰা সবাতোকৈ উপযুক্ত পদ্ধতিটো হ'ল :

(A) সাদৃশ্য-সম্বন্ধমূলক অথবা সমান্তৰাল অধ্যয়ন পদ্ধতি
(B) স্বীকৃতি অধ্যয়ন পদ্ধতি
(C) প্ৰভাৱ অধ্যয়ন পদ্ধতি
(D) পৰম্পৰা অধ্যয়ন পদ্ধতি

**20.** ভাৰতীয় সাহিত্য হ'ল :

(A) বৈদিক যুগৰপৰা বৰ্তমানলৈকে বিভিন্ন ভাৰতীয় ভাষাত ৰচিত ভাৰতীয় বিচাৰধাৰাৰ প্ৰকাশ ঘটা সাহিত্যসমূহ ।
(B) পাশ্চাত্য সাহিত্য দৰ্শনৰ প্ৰভাৱত ভাৰতত সৃষ্টি হোৱা সাহিত্যসমূহ ।
(C) ভাৰতীয় বিচাৰধাৰাৰ প্ৰকাশ ঘটা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাৰ সাহিত্যসমূহ ।
(D) ভাৰতীয় বিচাৰধাৰাৰ প্ৰকাশ ঘটা বৈদিক আৰু লৌকিক সংস্কৃতৰ সাহিত্যসমূহ ।

**21** ৰ পৰা **35** লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দিয়া হৈছে । তাৰে মাজৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**21.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. এইটো চাৰিযুগে বিচাৰ যে কৰিলা আতমা চিনি নেপায় । | i. ভটিমা |
| b. মন সেহি চৰণহি লাগু । | ii. ৰাজ ভটিমা |
| c. জয় জয় জগত মহেশ্বৰ । | iii. বৰগীত |
| d. জয় জয় নৃপতি ৰসজান । | iv. জিকিৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | ii | i | iv | iii |
| (C) | i | ii | iv | iii |
| (D) | iii | i | ii | iv |

**22.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. ডালিমীৰ সপোন | i. মিজো জনগোষ্ঠীৰ জীৱন আধাৰিত |
| b. মৌন ওঁঠ, মুখৰ হৃদয় | ii. বড়ো জনগোষ্ঠীৰ জীৱন আধাৰিত |
| c. ডিকটন | iii. নগা জনগোষ্ঠীৰ জীৱন আধাৰিত |
| d. ফেৰেঙ্গাদাও | iv. অৰুনাচলী জনগোষ্ঠীৰ জীৱন আধাৰিত |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | i | iii | ii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | iii | ii | i |

**23.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. আসাম হিতৈষী | i. ১৮৭১ |
| b. আসাম বন্ধু | ii. ১৮৮২ |
| c. আসাম নিউচ | iii. ১৯২৫ |
| d. আসাম বিলাসিনী | iv. ১৮৮৫ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iii | iv | ii | i |
| (C) | i | iii | ii | iv |
| (D) | iv | i | iii | ii |

**24.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. আনন্দ লহৰী | i. শুভঙ্কৰ দ্বিজ |
| b. শ্ৰীহস্তমুক্তাৱলী | ii. অনন্ত আচাৰ্য দ্বিজ |
| c. ব্ৰহ্মবৈবৰ্তপুৰাণ | iii. দামোদৰ দ্বিজ |
| d. শল্যপৰ্ব | iv. ৰতিকান্ত দ্বিজ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | ii | iv | iii | i |
| (C) | i | iii | ii | i |
| (D) | ii | i | iv | iii |

**25.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. প্ৰসন্নলাল চৌধুৰী | i. ১৯০৪ |
| b. অতুলচন্দ্ৰ হাজৰিকা | ii. ১৯০৫ |
| c. পাৰ্বতিপ্ৰসাদ বৰুৱা | iii. ১৯০২ |
| d. বিনন্দচন্দ্ৰ বৰুৱা | iv. ১৯০৩ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | iii | iv | i | ii |
| (C) | iv | i | iii | ii |
| (D) | i | iv | ii | i |

**26.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. আমাৰ চকুৰ আশাৰ নেজাল তৰা
এই জ্বলে এই মৰে
বালিমাহীৰ ময়ুৰ চালিত
ৰুদ্ধপৰানত সাত সাগৰৰ
বান নামে ।

b. কল্পনাৰ ৰেখাবোৰ যদি
হ’ই পৰে একাবেঁকা পুৰণি
দিনৰ শিহৰণ লাগি উচলি
উঠে, মৰহি পৰা প্ৰাণৰ
বিগত যৌৱন অস্বীকাৰ
নকৰিবা তাক, কাণপাতি
শুনি যাবা ৰিক্ত প্ৰাণৰ
শতিকাময় ইতিহাস ।

c. গৰু আনিবা ৰিংটোৰ
বাটৰ, ছোৱালী আনিবা
দিনটোৰ বাটৰ ।

d. তুমি আঁহোতে পলম
হ’লে, দেখো দিনতে
এন্ধাৰ । ভাবোঁ, কিবা
অথন্তৰ মিলিল কচৰ ।
বাৰে বাৰে দুৰন্ত অসুৰে
নাশিলে তোমাক, এৰি
ৰমণীসুলভ লাজ,
সলোতক নেত্ৰেধৰি পিতৃৰ
চৰণ, মাগি পাওঁ পুনু,
হেৰোৱা ৰতন মোৰ
অঞ্চলৰ নিধিহে
তাপসমনি ।

i. যোজনা
ii. অমিত্ৰাক্ষৰ ছন্দ
iii. চিত্ৰকল্প
iv. মুক্তক ছন্দ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | i | iv |
| (B) | iii | iv | i | ii |
| (C) | iv | iii | ii | i |
| (D) | iii | ii | i | iv |

**27.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. -কুৰি — i. তুমুনন্ত ক্ৰিয়াৰূপ
b. -পাই — ii. জোৰবাচক ৰূপ
c. -ও — iii. তদ্ধিত প্ৰত্যয়
d. -লৈ — iv. ক্ৰিয়াবাচক পৰসঙ্গ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | i | iv |
| (B) | iii | iv | ii | i |
| (C) | iv | i | iii | ii |
| (D) | i | ii | iv | iii |

**28.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. A study of phonology and vocabulary of the Assamese Language. — i. দেবেশ্বৰ চলিহা
b. New light on the History of Assamese Literature. — ii. দেবানন্দ ভঁৰালী
c. Origin and Growth of the Assamese Language and Literature. — iii. বিশ্বেশ্বৰ হাজৰিকা
d. Assamese language : Origin and Development — iv. ডিম্বেশ্বৰ নেওগ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | i | ii | iii | iv |
| (C) | ii | iv | i | iii |
| (D) | iii | i | iv | ii |

**29.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. ভেন টিঘেম (Van Tieghem) — i. তুলনামূলক সাহিত্য আন্তৰাষ্ট্ৰীয় সাহিত্যিক সম্বন্ধৰ ইতিহাস ।
b. গুয়াৰ্ড (Guyard) — ii. তুলনামূলক সাহিত্য সাহিত্যৰ ইতিহাসৰ শাখা বিশেষ ।
c. জে.এম. কাৰে (J.M. Carre) — iii. তুলনামূলক সাহিত্য বিভিন্ন সাহিত্যৰ পাৰম্পৰিক সম্বন্ধৰ অধ্যয়ন ।
d. ৰেমাক (Remak) — iv. তুলনামূলক সাহিত্য সাহিত্যৰ ৰাষ্ট্ৰীয় পৰিধিৰ সীমা অতিক্ৰম কৰি অন্য ৰাষ্ট্ৰীয় সাহিত্যৰ লগত হোৱা তুলনামূলক অধ্যয়ন

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iii | iv | ii |
| (B) | ii | iv | i | iii |
| (C) | iv | ii | iii | i |
| (D) | iii | i | ii | iv |

**30.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. কানাই বৰশী বোৱা — i. পঞ্চম শতিকা

b. ভাস্কৰবৰ্মাৰ ডুবিশাসন — ii. ত্রয়োদশ শতিকা

c. উমাচল শিলালিপি — iii. সপ্তম শতিকা

d. বনবলবৰ্মাদেৱৰ পৰ্বতীয়া তাম্রশাসন — iv. নৱম শতিকা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iv | ii | iii |
| (B) | iv | ii | iii | i |
| (C) | iii | i | iv | ii |
| (D) | ii | iii | i | iv |

**31.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. চুটি গল্প জীৱনৰ এচকল ৰুটি — i. এইচ জি ৱেলছ

b. সৰু প্ৰাণ সৰু ব্যথা সৰু সৰু দুখ কথা নিতান্তই সহজ সৰল — ii. এডগাৰ এলেন পো

c. চুটি গল্প বুলিলে এক সহজ সৃষ্টিৰ কথাকে বুজায় — iii. চমাৰচেট মম

d. চুটি গল্প একে বহাতে পঢ়িব পৰা বিধৰ — iv. ৰবীন্দ্ৰনাথ ঠাকুৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | iv | iii | ii | i |
| (C) | i | iv | ii | iii |
| (D) | iii | ii | iv | i |

**32.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. চেতনাপ্ৰবাহৰ ধাৰণাৰ প্ৰথম প্ৰবৰ্তক — i. মেথিউ আৰ্নল্ড

b. ট্ৰেজেডিৰ সংজ্ঞা প্ৰথম নিৰূপক — ii. আঁড্ৰে ৱেটোঁ

c. তুলনামূলক সাহিত্য কথাষাৰৰ প্ৰথম উদ্ভাৱক — iii. উইলিয়াম জেমছ

d. পৰাবাস্তৱবাদী ধাৰণাৰ প্ৰথম প্ৰৱৰ্তক — iv. এৰিষ্টটল

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | i | iv |
| (B) | iii | i | ii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | ii | iii | i |

**33.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. জাঁ পল ছাৰ্ত্ৰে — i. বাস্তৱবাদ

b. বাৰ্ণাৰ্ড শ্ব — ii. চিত্ৰকল্পবাদ

c. ইবছেন — iii. অস্তিত্ববাদ

d. ইলিয়ট — iv. যথাৰ্থবাদ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iii | iv | i | ii |
| (C) | i | iii | iv | ii |
| (D) | iv | i | iii | ii |

**34.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. বকুল বন — i. কেশৱ মহন্ত

b. তপোবন — ii. পাৰ্বতীপ্ৰসাদ বৰুৱা

c. নিগাজীপাম — iii. আনন্দচন্দ্ৰ বৰুৱা

d. সোণালী পাম — iv. অতুলচন্দ্ৰ হাজৰিকা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | i | iii | ii | iv |
| (C) | iv | ii | i | iii |
| (D) | iii | iv | i | ii |

**35.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. বগলী বাঁহ — i. তাঁত শাল

b. শ'ল মাৰি — ii. ঢেঁকী

c. নাচনী — iii. ঘৰ

d. কতৰা — iv. নাঙল

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | i | iv |
| (B) | iii | iv | i | ii |
| (C) | iv | i | ii | iii |
| (D) | i | ii | iv | iii |

তলৰ **36** পৰা **50** লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / গ্ৰন্থ / লেখক / ঘটনা আদিক সময় অনুসৰি ঐতিহাসিক ক্ৰমত তালিকাবদ্ধ কৰি (A), (B), (C) আৰু (D) চাৰিটা গোট কৰা হৈছে । তাৰে মাজৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিওবাঁ ।

**36.** (i) ডক্টৰ মাইলছ ব্ৰনছন

(ii) নিধি লিবাই ফাৰোৱেল

(iii) ডক্টৰ নেথান ব্ৰাউন

(iv) এ.কে. গাৰ্গী

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (iii) | (iv) | (ii) |
| (B) | (iii) | (i) | (ii) | (iv) |
| (C) | (ii) | (iv) | (i) | (iii) |
| (D) | (iv) | (ii) | (iii) | (i) |

**37.** (i) অনন্ত কন্দলি (ii) ৰত্নাকৰ কন্দলি
(iii) মাধৱ কন্দলি (iv) শ্ৰীধৰ কন্দলি
(A) (i) (iv) (iii) (ii)
(B) (iv) (ii) (i) (iii)
(C) (iii) (i) (ii) (iv)
(D) (ii) (iii) (iv) (i)

**38.** (i) লীলা গগৈৰ ‘অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা’
(ii) শৈলেন ভৰালীৰ ‘অসমীয়া লোকনাট্য পৰম্পৰা’
(iii) সৰ্বেশ্বৰ ৰাজগুৰুৰ ‘অসমীয়া প্ৰবাদ’
(iv) নবীনচন্দ্ৰ শৰ্মাৰ ‘অসমীয়া লোকসংস্কৃতিৰ আভাস’
(A) (i) (iii) (ii) (iv)
(B) (ii) (i) (iv) (iii)
(C) (iv) (ii) (iii) (i)
(D) (iii) (iv) (i) (ii)

**39.** (i) ভাষাৰ্থ বিজ্ঞান
(ii) উপভাষা-বিজ্ঞান
(iii) ভাষাবিজ্ঞান
(iv) ধ্বনি-বিজ্ঞানৰ ভূমিকা
(A) (iv) (i) (ii) (iii)
(B) (ii) (iii) (iv) (i)
(C) (i) (ii) (iii) (iv)
(D) (iii) (iv) (i) (ii)

**40.** (i) যুগনায়ক শংকৰদেৱ
(ii) যুগান্তৰত শংকৰদেৱ
(iii) শ্ৰীশ্ৰী শংকৰদেৱ
(iv) শংকৰদেৱ : কৃতি আৰু কৃতিত্ব
(A) (i) (iv) (ii) (iii)
(B) (iv) (ii) (iii) (i)
(C) (iii) (i) (iv) (ii)
(D) (ii) (iii) (i) (iv)

**41.** (i) কুটিল (ii) গুপ্ত
(iii) গড়গঞা (iv) নাগৰী
(A) (ii) (i) (iv) (iii)
(B) (iv) (ii) (iii) (i)
(C) (iii) (iv) (i) (ii)
(D) (i) (iii) (ii) (iv)

**42.** (i) হাতেমতাই
(ii) বিক্ৰমাদিত্য আৰু বেতাল
(iii) ৰামায়ণৰ ৰহঘৰা
(iv) ৰাংপতা
(A) (ii) (i) (iii) (iv)
(B) (iv) (iii) (i) (ii)
(C) (iii) (ii) (iv) (i)
(D) (i) (iv) (ii) (iii)

**43.** (i) সেউজী পাতৰ কাহিনী
(ii) ডা : অৰুণাভৰ অসম্পূৰ্ণ জীৱনী
(iii) অঘৰী আত্মাৰ কাহিনী
(iv) কেঁচা পাতৰ কঁপনি
(A) (i) (iv) (iii) (ii)
(B) (ii) (iii) (i) (iv)
(C) (iv) (i) (ii) (iii)
(D) (iii) (ii) (iv) (i)

**44.** (i) পিতাপুত্ৰ (ii) অন্তৰাগ
(iii) সুবালা (iv) মৎস্যগন্ধা
(A) (iv) (ii) (iii) (i)
(B) (ii) (iv) (i) (iii)
(C) (i) (iii) (iv) (ii)
(D) (iii) (i) (ii) (iv)

**45.** (i) আধালেখা দস্তাবেজ
(ii) মোৰ সাংবাদিক জীৱন
(iii) উপলা নদীৰ দৰে
(iv) মোৰ জীৱন ধুমুহাৰ এছাটি
(A) (iv) (i) (ii) (iii)
(B) (iii) (ii) (iv) (i)
(C) (i) (iv) (iii) (ii)
(D) (ii) (iii) (i) (iv)

**46.** (i) সুৰভি
(ii) অসম সাহিত্য সভা পত্ৰিকা
(iii) আমাৰ প্ৰতিনিধি
(iv) মণিদীপ
(A) (iii) (iv) (ii) (i)
(B) (i) (ii) (iii) (iv)
(C) (ii) (i) (iv) (iii)
(D) (iv) (iii) (i) (ii)

**47.** (i) কাৰেঙৰ লিগিৰী (ii) লভিতা
(iii) শোণিত কুৱঁৰী (iv) ৰূপালীম
(A) (i) (iii) (iv) (ii)
(B) (iii) (i) (ii) (iv)
(C) (ii) (iv) (i) (iii)
(D) (iv) (ii) (iii) (i)

**48.** (i) নীলমণি ফুকনৰ 'সূৰ্য হেনো নামি আহে এই নদীয়েদি'
(ii) কেশৱ মহন্তৰ 'আমাৰ পৃথিৱী'
(iii) বীৰেন বৰকটকীৰ 'মন্বন্তৰ'
(iv) মহেন্দ্ৰ বৰাৰ 'জাতিস্মৰ'

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (iv) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iii) | (ii) | (i) | (iv) |
| (D) | (iv) | (i) | (ii) | (iii) |

**49.** (i) কমলেশ্বৰ সিংহ (ii) ৰাজেশ্বৰ সিংহ
(iii) ৰুদ্ৰ সিংহ (iv) গদাধৰ সিংহ

| | | | | |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (ii) | (i) |
| (B) | (i) | (ii) | (iv) | (iii) |
| (C) | (ii) | (i) | (iii) | (iv) |
| (D) | (iv) | (iii) | (ii) | (i) |

**50.** (i) Science of Comparative Literature
(ii) Aspects of Comparative Literature
(iii) Comparative Literature : Concepts of Literature
(iv) Comparative Literature : Indian Dimensions

| | | | | |
|---|---|---|---|---|
| (A) | (i) | (iii) | (iv) | (ii) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (iv) | (i) | (ii) | (iii) |

তলৰ **51** ৰ পৰা **65** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰ মাজৰ পৰা তুমি শুদ্ধ বুলি ভবা মতটো বাছি উলিওৱা ।

**51.** প্ৰণামো মুকুন্দদেৱৰ চৰণে গুণে নাহি সমসৰ ।
আমাক ভাৰতচন্দ্ৰ নাম দিলা কবিচন্দ্ৰ নাম আৰ ।।
(A) মুকুন্দদেৱৰ চৰণৰ গুণ বখানি শেষ কৰিব নোৱাৰি, তেওঁক ভাৰতচন্দ্ৰ আৰু কবিচন্দ্ৰ বুলিও জনা যায় ।
(B) মুকুন্দদেৱ, ভাৰতচন্দ্ৰ, কবিচন্দ্ৰ এইসকলৰ সমান কোনো নাই । এওঁলোকৰ চৰণত প্ৰণাম কৰোঁ ।
(C) মুকুন্দদেৱৰ চৰণত প্ৰণাম কৰোঁ । গুণত তেওঁৰ সমান কোনো নাই । মোক (তেওঁ) ভাৰতচন্দ্ৰ নাম দিছিল । (মোৰ) আন এটা নাম কবিচন্দ্ৰ ।
(D) মুকুন্দদেৱৰ চৰণত প্ৰণাম । এওঁৰ দুটা নাম ভাৰতচন্দ্ৰ আৰু কবিচন্দ্ৰ । এওঁৰ সমান বীৰনাই । গুণতো অপ্ৰতিদ্বন্দ্বী ।

**52.** চুফীবাদ ইছলামৰ একেশ্বৰবাদী সাধনমাৰ্গ বিশেষ ।
(A) ইছলাম একেশ্বৰবাদী ধৰ্ম । এই ধৰ্ম অনুসৰণকাৰী সকলকে চুফী বুলি জনা যায় । চুফীসকলক বাদ দি ইছলামৰ কথা ভাবিব নোৱাৰি ।
(B) ইছলাম ধৰ্ম একেশ্বৰবাদত বিশ্বাসী । এই ধৰ্ম-সাধনৰ পথত চলাসকলেই চুফী আৰু তেওঁলোকৰ আচৰণীয় সাধন পন্থাই চুফীবাদ ।
(C) এক ঈশ্বৰৰ ধাৰণা ইছলাম ধৰ্মত নাই । এই ধৰ্ম-আচৰণ কৰা সকলকেই চুফী আৰু তেওঁলোকৰ পন্থাকে চুফীবাদ বুলি কোৱা হয় ।
(D) চুফীবাদ আৰু ইছলাম পৰস্পৰ বিপৰীতমুখী । চুফীমতৰ বিশ্বাসী সকলক ইছলাম ধৰ্মত প্ৰশ্ৰয় দিয়া নহয় ।

**53.** অসমীয়া ভাষাত দ্ৰাবিড় ভাষাৰ মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণত বাধা প্ৰদান কৰা প্ৰভাৱৰ ভিতৰত তিব্বত-বৰ্মীয় প্ৰভাৱ আছে । গ্ৰীয়াৰ্ছনৰ এই মন্তব্যষাৰিৰ পৰা সিদ্ধান্ত কৰিব পাৰি :
(A) অসমীয়া ভাষাত মূৰ্ধন্য ধ্বনি নাই ।
(B) অসমীয়া ভাষাত মূৰ্ধন্য ধ্বনি আছে ।
(C) তিব্বত-বৰ্মী ভাষাৰ প্ৰভাৱত মূৰ্ধন্য ধ্বনি সৃষ্টি হৈছে ।
(D) তিব্বতবৰ্মী ভাষাৰ বৈশিষ্ট্য মূৰ্ধন্য ধ্বনি ।

**54.** 'দৈৰ্ঘ্য অসমীয়া ভাষাত বিশিষ্টধ্বনি নহয়' । অৰ্থাৎ :
(A) অসমীয়া ভাষাত স্বৰধ্বনিৰ দৈৰ্ঘ্য অনুযায়ী অৰ্থৰ পাৰ্থক্য নহয় ।
(B) অসমীয়া ভাষাত স্বৰধ্বনিৰ দৈৰ্ঘ্য অনুযায়ী অৰ্থৰ পাৰ্থক্য হয় ।
(C) অসমীয়া ভাষাত স্বৰধ্বনি বোৰৰ দীৰ্ঘ-উচ্চাৰণ সম্ভৱ নহয় ।
(D) অসমীয়া ভাষাত স্বৰধ্বনি নাই ।

**55.** 'সৌন্দৰ্যই সত্য আৰু সত্যই সৌন্দৰ্য ।' অৰ্থাৎ :

(A) সত্যবাদী মানুহেহে সৌন্দৰ্যৰ ধাৰণা উপলব্ধি কৰিব পাৰে ।

(B) সত্য স্থায়ী আৰু সুন্দৰ । স্থায়ী বস্তুহে আকৰ্ষনীয় আৰু তেনে সত্য বা স্থায়ী বস্তুতহে সৌন্দৰ্য লুকাই থাকে ।

(C) সৌন্দৰ্য উপলব্ধি কৰিবলৈ হ'লে মানুহ নিজেও শাৰীৰিকভাবে সুন্দৰ হ'ব লাগিব ।

(D) সৌন্দৰ্য অতি অস্থায়ী বস্তু । আজি যি বস্তু সুন্দৰ, কালিলৈ সি সুন্দৰ নহবও পাৰে ।

**56.** 'চুটি গল্পৰ বিষয় বৈচিত্ৰ্য সীমাহীন' ।

(A) চুটিগল্পৰ বৈচিত্ৰ্য সীমাবদ্ধ । ইয়াৰ বিষয়বস্তুও সীমিত ।

(B) চুটিগল্প চুটি হ'লেও ইয়াক বহলাই সীমাহীন কৰিব পাৰি ।

(C) কি বিষয় লৈ চুটি গল্প ৰচিত হ'ব পাৰে, সেই বিষয়ে কোৱা টান; কাৰণ চুটি গল্পৰ বিষয় যিকোনো বস্তু হ'ব পাৰে ।

(D) চুটি গল্প চুটি হ'ব পাৰে কিন্তু সেই বিষয়ে সীমাহীন আলোচনা কৰিব পাৰি ।

**57.** "টেপুবাপুৰ আৰু বিশেষকৈ তেওঁৰ গৃহিনীৰ মিঠা মাতত ধনীৰামৰ মুখ সদায় এনেকৈ আমুৱাই থাকে যে ঘৰলৈ গৈ সি মিঠামাত মুখেৰে আনিব নোৱৰাত পৰিল ।"

(A) টেপুবাপু আৰু তেওঁৰ স্ত্ৰীৰ আচাৰ-ব্যৱহাৰ অতি সৌহাৰ্দ্যপূৰ্ণ । ধনীৰামক তেওঁলোকে কেতিয়াও বেয়া ব্যৱহাৰ কৰি পোৱা নাই ।

(B) ধনীৰামক সদায় টেপুবাবু আৰু তেওঁৰ গৃহিনীয়ে মিঠাবস্তু খুৱাই এনেহেন অৱস্থা কৰিলে যে, তেওঁ আৰু মিঠাবস্তু খাব নোৱাৰা হ'ল ।

(C) টেপুবাপু আৰু তেওঁৰ স্ত্ৰীয়ে ধনীৰামক সদায় এনেদৰে কথা শুনাই থাকে যে, ধনীৰামেও আনক ভাল মাতেৰে মাতিবলৈ পাহৰি পেলালে ।

(D) টেপুবাবু আৰু তেওঁৰ স্ত্ৰীয়ে ধনীৰামক এনেকুৱাকৈ মিঠাবস্তু খুৱাই থাকে যে আনে দিয়া বস্তুত ধনীৰামে কোনো সোৱাদেই নোপোৱা হ'ল ।

**58.** 'বাস্তৱৰ অনুকৰণ কৰাটো সাৰ্থক সাহিত্যৰ লক্ষণ নহয় ।'

(A) বাস্তবক যথাযথভাবে প্ৰকাশ কৰি সাৰ্থক সাহিত্য সৃষ্টি কৰিব নোৱাৰি । ইয়াৰ অতিৰিক্ত আন আন বিষয়ো থাকিলেহে সাহিত্য সাৰ্থক হ'ব পাৰে ।

(B) বাস্তৱক অস্বীকাৰ কৰি সাৰ্থক সাহিত্য সৃষ্টি কৰিব নোৱাৰি । কল্পনাৰ স্থান সাৰ্থক সাহিত্যত নাই ।

(C) সাৰ্থক সাহিত্যত বাস্তৱ জীৱন প্ৰতিফলিত হয় । সেয়ে হ'লেও উকা বাস্তৱৰ প্ৰকাশ সাহিত্যৰ আধাৰ নহয় । বাস্তৱৰ অন্তৰালত থকা সত্যৰ প্ৰকাশহে সাৰ্থক সাহিত্যই বহন কৰে ।

(D) সাহিত্য আৰু বাস্তৱ এটা মুদ্ৰাৰ ইপিঠি সিপিঠি । যথাযথ বাস্তৱ সাহিত্যৰ সাৰ্থকতাৰ আধাৰ । সাৰ্থক সাহিত্যই তেনে বাস্তৱকেই প্ৰতিনিধিত্ব কৰে ।

**59.** 'ম'হৰ শিঙত কঁকিলা ডাঁৱ
বলে নোৱাৰা শিলক পৰি নমস্কাৰ
শালক শিঙিয়ে হাঁহিলে
কোদো বাঁহতহে জুই ।'

(A) স্তৱকটি নিভাঁজ ঘৰুৱা শব্দ আৰু খণ্ড বাক্য প্ৰয়োগৰ নিদৰ্শন ।

(B) স্তৱকটি নিভাঁজ ঘৰুৱা শব্দ আৰু যোজনা-পটন্তৰ প্ৰয়োগৰ নিদৰ্শন ।

(C) স্তৱকটি অসমীয়া প্ৰবাদ-প্ৰবচন প্ৰয়োগৰ নিদৰ্শন ।

(D) স্তবকটি অসমীয়া জতুৱা প্ৰয়োগৰ নিদৰ্শন ।

**60.** খাৱন, শোৱন, ভোজন, গমন আদি শব্দবোৰৰ সাধন প্ৰক্ৰিয়াক বিসমবৰ্গীয় শব্দসাধনমূলক শ্ৰেণীৰ ভিতৰত ধৰা হয় ।

(A) √খা, √শো, √ভোজ, √গম আদি ধাতুৰ লগত-অন কৃৎপ্ৰত্যয়ৰ সংযোগ ঘটিছে ।

(B) √খা, √শো, √ভোজ, √গম আদি ধাতুৰ লগত-অন কৃৎপ্ৰত্যয়ৰ সংযোগ ঘটি বিশেষ্য শব্দ গঠন হৈছে ।

(C) √খা, √শো, √ভোজ, √গম আদি ধাতুৰ লগত-অন কৃৎপ্ৰত্যয়ৰ সংযোগ হৈ সুকীয়া শ্ৰেণীৰ শব্দ গঠন হৈছে ।

(D) √খা, √শো, √ভোজ, √গম আদি ধাতুৰ লগত-অন তদ্ধিত প্ৰত্যয়ৰ সংযোগ ঘটি বিশেষণ শব্দ গঠন হৈছে ।

**61.** লোক-সাহিত্য আৰু লোক-বিশ্বাস জন সাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয় ; ই পৰম্পৰাগতভাবে চলি অহা লোকবিজ্ঞানহে ।

(A) জনসাধাৰণৰ যি অংশৰ পঢ়াশুনা নাই বা কম তেওঁলোকেও বিজ্ঞানক উচ্চ স্থান দিয়ে । লোকসাহিত্য আৰু লোক বিশ্বাসৰ মাজত সাধাৰণ মানুহৰ বিজ্ঞানৰ প্ৰতি থকা ধাৰণা প্ৰকাশ পাইছে ।

(B) লোকসাহিত্য আৰু লোকবিশ্বাস জীৱ বিজ্ঞানৰ অংশ নহয় । ইয়াত বিবৃত-জ্ঞান হ'ল পৰম্পৰাগতভাবে চলি অহা জ্ঞান । সাধাৰণ মানুহৰ মাজত এইবোৰ যুগ যুগ ধৰি চলি আছে ।

(C) লোকসাহিত্য আৰু লোকবিশ্বাসক লোকবিজ্ঞান বুলি কোৱা হৈছে কাৰণ এইবোৰৰ বৈজ্ঞানীক ভিত্তি সন্দেহাতীত ।

(D) লোকসাহিত্য আৰু লোকবিশ্বাসবোৰ অতি প্ৰাচীন । এই কাৰণেই এই বোৰক চৰম সত্য বুলি ধৰিব পাৰি; আন কথাত এইবোৰ বিজ্ঞান হ'ব পাৰে ।

**62.** 'ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে

ভাবৰে বেহানি কৰে – '

(A) ইয়াত শব্দবোৰৰ আদি, মধ্য, অন্তত একে বৰ্ণৰে প্ৰয়োগ হোৱা বাবে অনুপ্ৰাস অলঙ্কাৰ হৈছে ।

(B) 'ভাব' শব্দটো বাৰে বাৰে ব্যৱহাৰ হোৱা বাবে যমক অলঙ্কাৰ হৈছে ।

(C) 'ভাব' শব্দটোৰ প্ৰয়োগভেদে ভিন ভিন অৰ্থ গুলোৱা বাবে শ্লেষ অলঙ্কাৰ হৈছে ।

(D) 'ভাবৰে', 'ভাবৰে', 'কৰে' এই শব্দকেইটাৰ শেষ বৰ্ণ 'ৰে' । সেয়েহে অন্ত্যানুপ্ৰাস অলঙ্কাৰ হৈছে ।

**63.** "বৰাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে । গীত কিছু কৰাঁ । আমি নকৰোঁ আৰু ।"

(A) হে' বৰাৰ পো, এই গীতটো বহু শ্ৰম কৰি গালো । কিন্তু মন নভৰিল । তুমি এতিয়া গীত গোৱা । আৰু গীত মই নাগাওঁ ।

(B) হেৰা বৰাৰ পুতেক, বহু পৰিশ্ৰমেৰে গীতখিনি (ৰচনা) কৰিছিলোঁ । সেইখিনি পুৰিলে । (তুমিয়েই) কিছু গীত ৰচনা কৰাঁ । মই গীত ৰচনা নকৰোঁ আৰু ।

(C) হেৰা বৰা, এই গীতবোৰ বহু শ্ৰমেৰে ৰচনা কৰি সাঁচি ৰাখিছিলোঁ, সেইবোৰ জুয়ে পুৰি ছাই কৰিলে । এতিয়া তুমিও কিছু গীত ৰচনা কৰি অভাৱ পূৰ কৰা ।

(D) আমি দুয়োজনে মিলি কৰা গীতবোৰ পুৰিলে । আমি আৰু গীত ৰচনা নকৰোঁ । মনত বৰ দুখ লাগিছে ।

**64.** ভাৰতীয় সাহিত্যৰ শুদ্ধ আৰু সম্পূৰ্ণ অধ্যয়নৰ ক্ষেত্ৰত তুলনামূলক বিচাৰ পদ্ধতিয়েই উপযুক্ত পদ্ধতি । কাৰণ

(A) ভাৰতীয় সাহিত্য অতি প্ৰাচীন সাহিত্য ।

(B) ভাৰতৰ বিভিন্ন সাহিত্যসমূহৰ মাজত পাৰস্পৰিক অনুবাদ কাৰ্য যথোপযুক্তভাবে হোৱা নাই ।

(C) ভাৰতীয় সাহিত্য বহুভাষিক ।

(D) ভাৰতীয় সাহিত্যত ভাৰতীয়তাৰ প্ৰকাশ ঘটিছে ।

**65.** বিংশ শতিকাৰ মাজভাগৰপৰা ভাৰতবৰ্ষত তুলনামূলক সাহিত্যই প্ৰচলন আৰু প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে । কাৰণ -

(A) সেই সময়তে ভাৰতবৰ্ষই ঔপনিবেশিক শাসনৰপৰা মুক্তি লাভ কৰিলে আৰু সকলো ক্ষেত্ৰতে নতুন দিগন্তৰ সূচনা হ'ল ।

(B) সেই সময়তে ভাৰতীয় চিন্তাবিদসকল ভাৰতৰ সাহিত্যিক বাস্তৱিকতাৰ প্ৰতি সচেতন হ'ল আৰু ভাৰতীয় সাহিত্যৰ অধ্যয়নে নতুন গতি-প্ৰকৃতি গ্ৰহণ কৰিলে ।

(C) সেই সময়তে তুলনামূলক সাহিত্যই পৃথিৱী জুৰি-বিদ্যায়তনিক ক্ষেত্ৰত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ আৰম্ভ কৰিলে । তাৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়ৰ শিক্ষাতো তুলনামূলক সাহিত্যই অন্তৰ্ভূক্তি লাভ কৰিলে ।

(D) সেই সময়তে 'একবিশ্ব' আৰু 'এক ভাৰত'ৰ ধাৰণাই এচাম ভাৰতীয় মনীষীৰ চিন্তা আৰু কৰ্মক প্ৰচুৰভাৱে অনুপ্ৰাণিত কৰিবলৈ আৰম্ভ কৰিলে । সাহিত্য অধ্যয়নৰ ক্ষেত্ৰতো এই 'একক' অথবা 'বিশ্বাত্মক' দৃষ্টিভঙ্গী গ্ৰহণৰ অনিবাৰ্যতা আহি পৰিল ।

তলত কথাখিনি মনোযোগেৰে পঢ়া আৰু **66**ৰ পৰা **70**লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱাঁ ।

কোনো ভাৱশীল জাতি অইন অইন জাতিৰ সংস্পৰ্শলৈ আহিলে সেই-বোৰৰ লগত ভাবৰ আদান-প্ৰদান নকৰাকৈ থাকিব নোৱাৰে । আৰু আনৰ সংস্পৰ্শলৈ নাহিলেও ভাবৰ স্বয়ম্ভু গতিৰ দ্বাৰাই সেই জাতি সদায় একে আদৰ্শকেই আধ্যাত্মিক সত্যৰ চৰম বিকাশ বুলি সাবটি ধৰি নতুন নতুনভাৱে সত্যৰ অনুসন্ধান নকৰাকৈ নাথাকে । বেলেগ বেলেগ জাতিৰ বুৰঞ্জীত এইবোৰৰ বহু উদাহৰণ পোৱা যায় । ইহুদীসকলে পেলেষ্টাইনত সোমাই যেতিয়া আন আন জাতিৰ সংস্কাৰৰ সংঘৰ্ষত পৰে, তেওঁলোকে নিজৰ কৌলিক দেৱতা জেহোভাত বাজেও আন আন জাতিৰ দেৱতা আৰু উপদেৱতাসকললৈ যজ্ঞ আৰু পুজাৰ ভাগ আগবঢ়াইছিল, আমাৰ ভাৰতীয় আৰ্যসকলৰ ধৰ্মৰ ইতিহাসতো এনেকুৱা কিছুমান ভাবৰ বিপৰ্যয় ভালেমান সময়ত ঘটিছিল বুলি পণ্ডিতসকলে কয় ।

বেদ, উপনিষদ, পুৰাণ, হিন্দু, বৌদ্ধ, জৈন আদিৰ ভাবৰ সংমিশ্ৰণৰ ফলত যেতিয়া মধ্যযুগত নানান দেৱতা, নানান কৰ্মপদ্ধতি, নানান ধৰ্ম-আচাৰ প্ৰৱৰ্তিত হৈ সামাজিক চিত্তৰ বিক্ষেপ আৰম্ভ কৰে, তেতিয়া সদাশয় মহাপুৰুষকলৰ মনত স্বভাৱতেই - কিং কৰ্ম কিমকৰ্মতি - "কি কৰিব লাগে, কি কৰিব নালাগে" বুলি সংশয় উপস্থিত হয় । এনে এটি যুগসন্ধিত আন আন দেশৰ মহানুভৱ পুৰুষসকলৰ দৰে আমাৰ দেশতো মহাপুৰুষ শঙ্কৰদেৱৰ জন্ম হয় । পুৰাণৰ বহু দেৱতা, তন্ত্ৰৰ বহু সাধনাৰ আৰু কামনাৰ তাড়নাত সঙ্কল্পিত বহুত অল্প-ফল ব্যয়-সঙ্কুল অনুষ্ঠানৰ প্ৰভাৱৰপৰা উদ্ধাৰ কৰি, চৰাচৰ ব্ৰহ্মাণ্ড, সকলো দেৱতা আৰু "সৰ্ব্ব অৱতাৰৰ কাৰণ" – স্বৰূপ "ব্ৰহ্মাৰূপী সনাতন" মূল বস্তুৰ আদৰ্শ তেওঁ আমাৰ আগত দাঙি ধৰে । এই সনাতন আৰ্য সত্যৰ ওপৰতেই সমস্ত ভাৰতীয় সভ্যতা প্ৰতিষ্ঠিত । আৰু ঋগ্বেদৰ পুৰুষ-সূক্তৰ বিৰাট পুৰুষৰ কল্পনাতেই এই সত্যৰ প্ৰথম উপলব্ধিৰ পৰিচয় পোৱা যায় বুলি পণ্ডিতসকলে ক'ব খোজে । বেদৰ পৰৱৰ্তী কালতো ভগৱদ্‌গীতাৰ কাললৈকে এই একেশ্বৰবাদ ভাৰতীয় চিন্তাৰ প্ৰধান সোঁতৰ বাহিৰত পৰি যোৱা নাই । কিন্তু পুৰাণ, তন্ত্ৰ আদিৰ দিনত বহু জাতি, বহু সভ্যতা, বহু আদৰ্শৰ সংযোগৰ ফলত এই একেশ্বৰবাদ সনাতন সত্য "ছিন্নাভ্ৰৈৰিৰ সম্বীতং শাবদং চন্দ্ৰমণ্ডলম্" – ডোখৰা-ডুখৰি ডাৱৰে ঢাকি থোৱা শাৰদীয় জোনৰ দৰে "দৃশ্যামানমদৃশ্যঞ্চ" – দেখা-নেদেখা হৈ পৰিছিল । স্বয়ং বিৰাট পুৰুষ বুলি নিজে পৰিচয় দিয়া গীতাৰ শ্ৰীকৃষ্ণক স্বয়ং ভগৱান বুলি স্বীকাৰ কৰি, বেদৰ একেশ্বৰবাদ আৰ্য সত্যক মহাপুৰুষে আকৌ প্ৰতিষ্ঠিত কৰে । এই দেখা-নেদেখা আদৰ্শ কামনা-ক্লিষ্ট সাংসাৰিক মানুহৰ পক্ষে এনে চঞ্চল যে, ই যাতে ভুলক্ৰমেও মানুহৰ চকুৰ আঁতৰ হ'ব নোৱাৰে, সেই বাবে তেওঁ সকলো গ্ৰন্থতে কঠোৰ শাসন দি গৈছে । "আন দেৱী-দেৱ নকৰিবা সেৱ" ইত্যাদি শাসনৰ মৰ্মও মহাপুৰুষৰ মূল আদৰ্শৰ পোহৰতহে ধৰিব পাৰি । বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান ।

গীতাত উল্লেখ কৰা চাৰিবিধ ভক্তৰ ‘অৰ্থাৰ্থী’ অৰ্থাৎ বিশেষ বিশেষ কামনা-সিদ্ধিৰ বাবে ঈশ্বৰক চিন্তা কৰাসকলৰ সংখ্যাই বেছি । কিন্তু কামনা-সিদ্ধয়েই ঈশ্বৰচিন্তাৰ মূল প্ৰেৰণা হ’ব লাগিলে প্ৰধান পুৰুষৰ প্ৰতি সকলো সময়তে মানুহৰ মন উধাব নোখোজে । কামনাৰ নিৰ্বৃত্তি নাই – এটিৰ সিদ্ধি হ’লে আন এটি জাগি উঠে । তাত বাজেও বিশেষ বিশেষ কামনা সিদ্ধি কৰা অসংখ্য দেৱতাৰ উল্লেখ পুৰাণ, তন্ত্ৰ আদি শাস্ত্ৰত আছে; আৰু সেইবোৰৰ প্ৰতি মানুহৰ মন সহজেই ঢাল খোৱা স্বাভাৱিক । মূল সত্যৰ উপলব্ধি অনাবিল ৰাখিবৰ বাবে মহাপুৰুষে নিষ্কাম বা নিস্পৃহ ভক্তিৰ প্ৰৱৰ্তন কৰে । নিষ্কামভাৱে ঈশ্বৰক ভাবিব পাৰিলে সকলো কামনাৰ সিদ্ধি হয় । কেৱল সমুদ্ৰৰ প্ৰতি প্ৰৱল বেগে বৈ গ’লেও বাৰিষাৰ ঢল নামিলে নৈয়ে ওচৰত থকা খাল-পুখুৰী আদি সকলোকে ভৰপূৰ কৰে ।

এক ঈশ্বৰৰ প্ৰতি প্ৰৱল বেগে মন ধাৱিত হৈ থাকিলে ভাবৰ প্ৰাচুৰ্যই সৰু-সুৰা কামনাৰ খাল-বিল পূৰ নকৰিব কিয় ? কৰ্মৰ বিভীষিকা-নিৱাৰণ মহাপুৰুষৰ আন এটি শ্ৰেষ্ঠ দান । ব্যয়-সঙ্কুল বিশেষ বিশেষ অনুষ্ঠান কৰিব নোৱাৰিলে আধ্যাত্মিক পথত আগ বাঢ়িব নোৱাৰি, ধৰ্মৰ কোনো অঙ্গই সিদ্ধ নহয়-এই ভাবে সমাজত এনেভাৱে শিপা মেলি থাকে যে, “ধনেই ধৰ্মৰ মূল” এনে কথাও লৌকিক প্ৰৱচনৰ ভিতৰত পৰিছে । ধন নহ’লে যাগ-যজ্ঞ, পূজা-অৰ্চনা, তীৰ্থযাত্ৰা আদি অনুষ্ঠান কৰিব নোৱাৰি, আৰু সেইবোৰ কৰিব নোৱাৰিলে ঈশ্বৰ-চিন্তা সম্ভৱনে ? বিশুদ্ধভাৱে কৰিব পাৰিলে কৰ্ম-অনুষ্ঠান আধ্যাত্মিক চিন্তাৰ পৰিপোষক হ’ব পাৰে; কিন্তু সেইবোৰৰপৰা ঈশ্বৰ-চিন্তাৰ প্ৰধান প্ৰেৰণা আহিব নোৱাৰে । সেইবোৰ ঈশ্বৰ-চিন্তাৰ লীলা-ভূমি নহয় । ঈশ্বৰ-চিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়, বিশুদ্ধ মন । সৎ ভাব আৰু সৎ চিন্তাৰ দ্বাৰা হিয়া আৰু মন যিমানেই নিকা হয় তিমানেই ঈশ্বৰ-উপলব্ধিৰ বিষয়ত ইয়াৰ শক্তি উৰ্বৰা হয় আৰু হিয়ামন চিকুণাবলৈ কোনো ব্যয় বা কষ্ট নালাগে । “মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ । এতেকে মুকুতি পাইবা কহিলো স্বৰূপ ।।” – ঈশ্বৰ-চিন্তাৰ পথত স্বকৰ্ম আৰু অনুষ্ঠানে মানুহৰ মনত কু-সপোনৰ দৰে যি বিভীষিকাৰ ছাঁ বিস্তাৰ কৰি আছিল, সেইটো আঁতৰাই মানুহৰ হিয়াক মেঘ-মুক্ত আকাশৰ দৰে নিৰ্মল কৰিবৰ উদগনি মহাপুৰুষে দি যায় । বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্ৰধান লীলা-ক্ষেত্ৰ বুলি ডাঠকৈ প্ৰতিপাদন কৰা মহাপুৰুষৰ আন এটি দান ।

**66.** উদ্ধৃত পাঠাংশটিৰ পৰিপ্ৰেক্ষিতত তলৰ কোনষাৰি কথা সত্য নহয় ।

(A) দুটা জাতি পৰস্পৰৰ সংস্পৰ্শলৈ আহিলে, দুয়োটাৰ মাজত স্বাভাৱিকতে ভাবৰ আদান-প্ৰদান ঘটে ।

(B) ভিন ভিন জাতিৰ সংস্পৰ্শলৈ নহাকৈও কোনো এটা জাতিয়ে স্বাভাৱিক গতিৰেই নতুনৰ সন্ধান নকৰাকৈ না থাকে ।

(C) ইহুদীসকলেও পেলেষ্টাইনলৈ আহি নিজৰ ধৰ্মীয় সংস্কাৰত অন্যান্য দেৱতাৰ পূজাও অন্তৰ্ভুক্ত কৰি লয় ।

(D) ভাৰতীয় আৰ্যসকলে সাংস্কৃতিক আদান-প্ৰদানৰ ক্ষেত্ৰত উদাৰতাৰ পৰিৱৰ্তে গোড়ামিৰ মনোভাৱ পোষণ কৰিছিল ।

**67.** ‘এনে এটি যুগ-সন্ধিত আন আন দেশৰ মহানুভৱ পুৰুষসকলৰ দৰে আমাৰ দেশতো মহাপুৰুষ শঙ্কৰদেৱৰ জন্ম হয়’ । ইয়াত কোৱা যুগসন্ধিটো কি ?

(A) মধ্যযুগত ধৰ্মৰ ক্ষেত্ৰত দেখা পোৱা নানা ভাব, নানা দেৱতা, নানা আচাৰ পদ্ধতিৰ প্ৰৱৰ্তনৰ ফলত মানুহৰ চিত্তৰ একাগ্ৰতা বিঘ্নিত হোৱা সময়খিনি ।

(B) বিভিন্ন জাতিৰ মানুহৰ বিভিন্ন উদ্দেশ্যৰে প্ৰব্ৰজন ঘটি অৱশেষত একে স্থানত সংমিশ্ৰিত হোৱা সময়খিনি ।

(C) যি সময়ত এজন নৱচিন্তা প্ৰৱৰ্তনকাৰী মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল ।

(D) স্পষ্টকৈ এটা শতিকাৰ অন্ত আৰু পৰৱৰ্তী শতিকাৰ আৰম্ভণিৰ সময়খিনিকে যুগসন্ধি বুলিব পাৰি ।

**68.** 'শঙ্কৰদেৱে এই দেশত জন্মগ্ৰহণ কৰি কি কাৰ্য সমাপন কৰিছিল' ?

(A) তন্ত্ৰ-মন্ত্ৰ সাধন আৰু বলিবিধানৰ দ্বাৰা আৰাধ্য দেৱী বা দেৱতাৰ পূজাৰ বিধান দিছিল ।

(B) যোগাভ্যাস আৰু কঠোৰ তপস্যাৰদ্বাৰা ইষ্টদেৱতাৰ সন্তুষ্টিৰ বাবে যত্নপৰ হোৱাৰ বিধান দিছিল ।

(C) বহুদেৱতাৰ পৰিৱৰ্তে এক দেৱতা, তন্ত্ৰ সাধনা আৰু ব্যয় বহুল ধৰ্মানুষ্ঠান পালনৰ পৰিৱৰ্তে, সকলো অৱতাৰৰ মাজৰ মূল সনাতন অৱতাৰত ভক্তিৰ আদৰ্শ স্থাপন ।

(D) নিজৰ মৌলিক উদ্ভাৱনী শক্তিৰদ্বাৰা ইতিপূৰ্বে ক'তো কেতিয়াও নথকা এক নতুন ধৰ্মমত উদ্ভাৱন ।

**69.** সনাতন আৰ্য সত্যৰ পৰিচয় কি ?

(A) ব্ৰহ্মস্বৰূপ সনাতন, যাক আমি 'সকলো অৱতাৰৰ কাৰণ' বুলিও ক'ব পাৰোঁ, সেই আদৰ্শকেই আৰ্যসত্য বুলিব পাৰি ।

(B) ভাৰতবৰ্ষ বহু ধৰ্মপ্ৰচাৰকৰ জন্মস্থান । এই সকলো ধৰ্মপ্ৰৱৰ্তকৰ মত একেলগে সনাতন আৰ্য সত্য বুলিব পাৰি ।

(C) অহিংসা পৰমধৰ্ম আৰু সকলো প্ৰাণীক ব্ৰহ্ম জ্ঞান কৰি সমদৃষ্টিৰে চোৱাটোকে সনাতন আৰ্য সত্য বুলিব পাৰি ।

(D) বেদ, উপনিষদত বিবৃত সকলোবোৰ কথাকেই সনাতন আৰ্য সত্য বুলিব পাৰি ।

**70.** তলৰ কোনটো বক্তব্য উদ্ধৃত পাঠাংশৰ সহায়ত সমৰ্থন কৰিব নোৱাৰি ।

(A) অসমৰ আধ্যাত্মিক ক্ষেত্ৰলৈ মহাপুৰুষৰ প্ৰধান অৱদান হ'ল সনাতন সত্যৰ উপলব্ধি আৰু পৰম দেৱতাৰ সন্ধানৰ বাবে সামাজিক চৈতন্য জাগৰণ ।

(B) বেদত বিবৃত একেশ্বৰবাদেই সনাতন আৰ্য সত্য ।

(C) নিষ্কামভাবে ঈশ্বৰক ভাবিব পাৰিলে সকলো কামনাৰ সিদ্ধি হয় ।

(D) পুৰাণ, তন্ত্ৰ আদিৰ যুগত বহু জাতি, বহু সভ্যতা, বহু আদৰ্শ প্ৰচলিত আছিল ।

তলৰ পাঠাংশটি মনোযোগেৰে পঢ়া আৰু তাৰ তলত **71**ৰ পৰা **75**লৈ দিয়া প্ৰশ্নকেইটাৰ সঠিক উত্তৰটো (A), (B), (C) আৰু (D)ৰ মাজৰ পৰা বাছি উলিওৱা ।

সাধাৰণতে সংস্কৃতি বুলিলে সুকুমাৰ কলাকে বুজায় আৰু বিশেষভাৱে তাকে বুজাবলৈ 'সংস্কৃতি' শব্দৰ ব্যৱহাৰ কৰা হয় । কিন্তু দৰাচলতে সংস্কৃতিয়ে সমস্ত মানুহৰ চিন্তা আৰু কৰ্ম্মক সামৰি ধৰিছে । মানুহৰ চিন্তাশক্তি আৰু কৰ্ম্মশক্তি সীমাবদ্ধ । তাৰ উপৰিও মানুহৰ বেলেগ বেলেগ স্বভাৱ আৰু মনোভঙ্গী, ৰুচি ইত্যাদি সুকীয়া; ইয়াৰ বাবেই গুণ স্বভাৱ আৰু ভবা আৰু কৰাৰ ক্ষমতা অনুযায়ী বেলেগ বেলেগ ব্যক্তিয়ে আৰু বেলেগ বেলেগ সমষ্টিয়ে সমাজৰ চিন্তাৰ ৰাজ্যত আৰু কৰ্ম্মৰ ৰাজ্যত বেলেগ বেলেগ কাম কৰি যায় । ইয়েই কৰ্ম্ম বিভাগ (division of labour) আৰু চিন্তা বিভাগ (division of thinking) সৃষ্টি কৰিছে । বহুসময়ত মানুহে পাৰস্পৰিক সম্বন্ধ আৰু অবিভাজ্য এটা জাতীয় জীৱনৰ যে সেইবোৰ বিভাগহে তাক পাহৰি যায় আৰু প্ৰায় উপলব্ধি কৰিব নোৱৰা হয় বা নোৱাৰেই । কিন্তু আজি সঁচাকৈয়ে মানৱ জাতি আহি এটা সভ্যতা সংস্কৃতিৰ অতি ওখ স্তৰত উঠিছেহি, তেন্তে নিজৰ শক্তিৰ আৰু গুণৰ সীমাৱদ্ধতাৰ বাবে যদিও এটা বিশেষ কামত তেওঁ নিয়োজিত হয় আৰু তাৰ বিশেষজ্ঞও হয়, তথাপিও যে সেই খণ্ড চিন্তা বা কৰ্ম্ম এটা সম্পূৰ্ণ বস্তুৰ পৰিপূৰক বা অনুপূৰক হিচাবেহে হৈছে তাক সম্পূৰ্ণৰূপে উপলব্ধি কৰি সেইদৰে জাগৃত হৈ থাকিব লাগিব । যেনেকৈ বিশ্বকবিয়ে নিখিল বিশ্বপ্ৰাণৰ সৈতে নিজকে একে বুলি উপলব্ধি কৰে - তেওঁৰ সকলো কৰ্ম্ম আৰু চিন্তা সেই বিৰাট প্ৰাণৰ এটা ক্ষুদ্ৰ অংশ হিচাপে কৰি এই বিৰাট সৃষ্টিত তেওঁৰ সেইখিনি দান বুলি ভাবে, সেইদৰে আজিৰ নাগৰিকেও সমাজৰ সম্বন্ধত নিজৰ বিশিষ্টতা ভালকৈ বুজি ল'ব লাগিব । তেতিয়া হ'লেই মানুহৰ গোটেই জীৱনটোৱেই যে এটা সাংস্কৃতিক অভিযান তাক উপলব্ধি কৰিব পাৰিব । মানুহটো হৈছে এটা সাংস্কৃতিক জীৱ । মানুহৰ ক্ৰমবিকাশৰ বুৰঞ্জী হৈছে মানুহৰ সংস্কৃতিৰ আৰু বৈপ্লৱিক ৰূপান্তৰৰ বুৰঞ্জী । মানৱ সংস্কৃতিৰ দুটা ভাগ । এটা হৈছে অন্তৰ ভাগ আৰু এটা হৈছে বহিৰ্ভাগ । অন্তৰ ভাগৰ প্ৰকাশ হয় আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত, মনৰ গুণবোৰৰ বিকাশ আৰু তাৰ পূৰ্ণতা হয় এই সকলোবোৰৰ

মন্থনত পোৱা জ্ঞানত । বৰ্হিসংস্কৃতি প্ৰকাশ পায় বাস্তৱ (material) জীৱনৰ চিন্তা আৰু কৰ্ম্মৰ যোগেদি, যাক আৱশ্যকীয়তা আৰু সৌন্দৰ্য্য সাধনৰ ফালৰপৰা কৰা যায় । বাস্তৱ সংস্কৃতিৰ প্ৰধান আলম বা অৱলম্বন আৰু মাধ্যম হৈছে আৰ্থিক বা সাম্পদিক প্ৰচেষ্টা অৰ্থনীতি । সেই কাৰণে বাস্তৱিক সংস্কৃতি প্ৰকাশৰ বাহনটো অৰ্থনীতি হোৱাত কেৱল মানৱ জীৱনৰ বাস্তৱিক সাম্পদিক প্ৰকাশটো অকলে চালে মানুহটোক এটা অৰ্থনৈতিক জীৱ (man is an economic being) বুলি ক'লেও ক'ব পাৰি । মানুহৰ সংজ্ঞা সেইটোৱেই সম্পূৰ্ণ কৰিব নোৱাৰে । মোৰ চিন্তাৰে আৰু মোৰ উপলব্ধিৰে মই কওঁ আৰু সম্পূৰ্ণৰূপে কোনো দ্বিধা সন্দেহ নথকাকৈ পতিয়ন গৈছোঁ যে মানুহ এটা সাংস্কৃতিক জীৱ । অৱশ্যে বাস্তৱিক সংস্কৃতি প্ৰকাশৰ প্ৰধান অৱলম্বন যে অৰ্থনীতি, তাত কোনো সন্দেহ নাই । আনকি অন্তৰ সংস্কৃতিৰো আকৌ এক হিচাপে গুৰিতে অৰ্থনীতি । আপুনি যি মনটোৰে আত্মিক মানসিক বিকাশ কৰি অন্তৰ সংস্কৃতি সৃষ্টি কৰিব-তাৰ বাবে আপোনাৰ দেহাটো লাগিব । আত্মহত্যা কৰি কোনেও বিকাশ লাভ কৰিব নোৱাৰে । মন আৰু আত্মাক সংস্কৃতিৰ যোগেদি এই সূক্ষ্মতম স্তৰলৈ নিব লাগিব । তেহে সূক্ষ্ম বিশ্বসত্তাৰ লগত লীন হ'ব পাৰিব । তাৰ বাবেই আৰু তাকে কৰিবলৈ আপোনাক দেহাটো লাগিব । কিন্তু দেহাৰ পোষক হ'ল অন্ন, ভাত । সেইবাবে অৰ্থনীতি আধ্যাত্মিক প্ৰকাশ বা উন্নতিৰো গুৰিতেই । সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে তেন্তে অৰ্থনীতি । সেই কাৰণে অৰ্থনীতিৰ বিপৰ্যয় হ'লে দেশৰ সংস্কৃতিৰ নানা সৌন্দৰ্য্যমণ্ডিত বৰঘৰটো ভাগি পৰি যাব । সেইদৰেই আকৌ সংস্কৃতিৰ অন্তৰ ভাগৰ কোনো বিভাগত কেৰোণ লাগিলে তাৰ প্ৰতিক্ৰিয়া অৰ্থনীতিত পৰি মানৱৰ সভ্যতা সংস্কৃতিৰ বিপদ ঘটায় । নৈতিকতা অন্তৰ সংস্কৃতিৰ বস্তু-তাৰ বাস্তৱ সংস্কৃতিৰ ওপৰত প্ৰভাৱ আছে । ধৰক, ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং দিয়াৰ বাবে দহ কোটি টকা দিয়া হ'ল । সেই টকাৰ ঠিক হিচাপ মতে কৰিলে দলংখন মজবুত হ'ব ভাল হ'ব । যদি অন্তৰ সংস্কৃতি ভ্ৰষ্ট হোৱা দুৰ্নীতিপৰায়ণ ঠিকাদাৰে আৰু চৰকাৰৰ সেই বিষয়ৰ দায়িত্বত থকা মানুহজনে পাঁচকোটি টকা খাই বাকী পাঁচ কোটি টকাৰে দলংখন নিশকতীয়াকৈ কৰে, তেন্তে ৰেলখন যাওঁতেও সকলো ভাগি পৰিব । তেন্তে দলংখন বেয়া হৈ গৈ লোকচান হোৱাত অন্তৰ সংস্কৃতিৰ বিকৃতিৰ ফলত জাতীয় অৰ্থনীতিত আঘাত পৰিল ।

**71.** তলৰ কোনষাৰি কথা সংস্কৃতিৰ ব্যাখ্যা হিচাপে পাঠটিত দিয়া হৈছে ?

(A) মানুহৰ সুকুমাৰ কলাৰ সামগ্ৰীখিনিকেই সাধাৰণভাৱে সংস্কৃতি বুলিলে বুজা যায় ।

(B) সংস্কৃতিয়ে মানুহৰ ব্যক্তিগত আৰু সামূহিক জীৱনৰ সকলো কৰ্ম আৰু ভাৱচিন্তাক বুজায় ।

(C) কৃষিকাৰ্যৰ সৈতে সম্পৰ্কিত কাজকৰ্ম আৰু গীতমাতবোৰকেই সাধাৰণভাবে সংস্কৃতি বুলিব পাৰি ।

(D) অৰ্থনীতিৰ লগত সম্পৰ্ক থকা কাৰ্যাৱলীক একে আষাৰে সংস্কৃতি বুলিব পাৰি ।

**72.** তলত (A), (B), (C), (D)-ত দিয়া কোনষাৰি কথা পাঠটিত থকা 'মানুহৰ গোটেই জীৱনটোৱেই এটা সাংস্কৃতিক অভিযান' কথাষাৰিৰ ব্যাখ্যা বুলি ক'ব পাৰি ?

(A) মানুহে ভাবিব লাগিব যে, তেওঁৰ ব্যক্তিগত কৰ্মখিনি এক বিশাল আৰু সম্পূৰ্ণ বস্তুৰ সামান্য এটি অংশ আৰু পৰিপূৰক; তেওঁৰ কৰ্ম আৰু অভিজ্ঞতাবোৰ স্বয়ং সম্পূৰ্ণ নহয় ।

(B) মানবৰ শক্তি অপৰিসীম । মানুহে নিজৰ সীমিত শক্তি সামৰ্থ্যক কৌশলেৰে ব্যৱহাৰ কৰি অসম্ভৱকো সম্ভৱ কৰি তোলে আৰু এই কাৰ্য গোটেই জীৱন ধৰি চলে ।

(C) মানুহে জীৱন আৰু জীৱিকাৰ তাড়নাত গোটেই জীৱন ধৰি নানান কৰ্মত ব্যস্ত হৈ থাকে । এই কথাকেই আলঙ্কাৰিক ভাষাত এক সাংস্কৃতিক অভিযান বুলি কোৱা হয় ।

(D) মানুহে অকলে একো কাম কৰিব নোৱাৰে । সকলোৰে সহযোগতহে মানুহে জাগতিক কাজকৰ্মবোৰ কৰিব পাৰে । মানুহৰ সাংস্কৃতিক কামকাজবোৰো সামূহিক । ইয়েই মানুহৰ সামগ্ৰিক সাংস্কৃতিক অভিযান ।

73. মানুহৰ সমাজত কৰ্মবিভাগ (division of labour) আৰু চিন্তাবিভাগ (division of thinking) সৃষ্টি হৈছে । কাৰণ -

(A) একেজন মানুহেই চিন্তাও কৰিব আৰু কৰ্মও কৰিব, এই দুই কাৰ্যত একেজন মানুহ ব্ৰতী হোৱাত শাৰীৰিকভাবে সম্ভৱ নহয় ।

(B) মানুহে নিজৰ ভিতৰত আলোচনা কৰি দুয়োটা কাৰ্যৰ বাবে সুকীয়া সুকীয়া মানুহক দায়িত্ব অৰ্পণ কৰি থোৱা হৈছে ।

(C) মানুহৰ মনোভঙ্গী আৰু ৰুচি সুকীয়া সুকীয়া কৰ্ম আৰু চিন্তাশক্তিও সীমিত । সেয়েহে মানুহে নিজৰ ক্ষমতা আৰু চিন্তা অনুযায়ী বেলেগ বেলেগ কামত ব্ৰতী হয় । ইয়ে হ'ল কৰ্ম আৰু চিন্তা বিভাগ ।

(D) ভাগ ভাগ কৰি কাম কৰিলে অধিক কৰ্ম কৰিব পাৰি । চিন্তাৰ ক্ষেত্ৰতো এই কথা সত্য । সেয়েহে মানুহে আলোচনা-বিলোচনাৰ মাধ্যমেৰে কাম আৰু চিন্তাৰ বিভাজন কৰি লৈছে ।

74. মানুহক সাংস্কৃতিক জীৱ বুলি কোৱা হয়, কাৰণ -

(A) মানুহৰ জীৱনত নৃত্য গীতৰ প্ৰভাৱ অপৰিসীম । এইবোৰে জীৱন সুন্দৰ কৰাই নহয় অৰ্থনৈতিকভাবেও এইবোৰ লাভজনক । মানুহৰহে এইবোৰ বস্তু আছে । সেয়েহে মানুহক সাংস্কৃতিক জীৱ বুলিব পাৰি ।

(B) সকলো প্ৰাণীৰ ভিতৰত কেৱল মানুহৰহে চিন্তা কৰাৰ শক্তি আছে । মানুহৰহে ভাষা আছে আৰু সাহিত্য-সঙ্গীত সৃষ্টি কৰিব পাৰে মানুহেহে । সেয়ে মানুহ সাংস্কৃতিক জীৱ ।

(C) গীত, নৃত্য, নাটকৰ প্ৰতি আকৰ্ষণ মানুহৰ স্বাভাৱিক গুণ । এই সাংস্কৃতিক কাৰ্যবোৰৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই মানুহক সাংস্কৃতিক জীৱ বুলি ক'ব পাৰি ।

(D) অন্তৰ আৰু বাহিৰ-দুয়ো ভাগতে মানুহে গোটেই জীৱনটো নানান সৃষ্টি কাৰ্যত ব্ৰতী হৈ থাকে । ফলত ভাবচিন্তা সম্পৰ্কীয় কৃতি আৰু বস্তু সম্পৰ্কীয় কৃতি সৃষ্টি হোৱা দেখা পোৱা যায় । এই কাৰণেই মানুহক সাংস্কৃতিক জীৱ বুলি আখ্যা দিব পাৰি ।

75. সংস্কৃতিৰ প্ৰধান অৱলম্বন অৰ্থনীতি । কাৰণ

(A) মানুহৰ আত্মিক-মানসিক বিকাশৰ বাবে এটা দেহ লাগে । দেহৰ পৰিপোষণৰ বাবে খাদ্য লাগে । খাদ্যদ্ৰব্যবোৰৰ সৈতে অৰ্থনীতিৰ ওতপ্ৰোত সম্পৰ্ক । সেইফালেৰ পৰা সংস্কৃতিৰ লগত অৰ্থনীতিৰ সম্পৰ্ক নিকট ।

(B) বৰ্তমান যুগৰ সকলো কাজকৰ্ম অৰ্থনীতি নিৰ্ভৰ । অৰ্থনীতিয়ে মানুহৰ সকলো কথা নিয়ন্ত্ৰণ কৰে । সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয় ।

(C) গীত, নৃত্য, নাটক, বোলছবি, চিত্ৰাঙ্কন আদি সাংস্কৃতিক কাৰ্য । এইবোৰৰ অনুশীলনৰদ্বাৰা অৰ্থকড়িও উপাৰ্জন কৰিব পাৰি । সেয়েহে সংস্কৃতিক অৰ্থনীতি নিৰ্ভৰ বুলি কোৱা হৈছে ।

(D) দুৰ্নীতিপৰায়ণ ব্যক্তিয়ে সামূহিক কল্যাণৰ কথা চিন্তা নকৰি কেৱল ব্যক্তিগত স্বাৰ্থক প্ৰাধান্য দিয়ে । ফলত তেওঁ কৰা কামবোৰ অতি নিকৃষ্ট ধৰণৰ হয় । অৰ্থই দুৰ্নীতিৰ মূল । আৰু দুৰ্নীতি এতিয়া সংস্কৃতি হৈ পৰিছে । সেয়েহে অৰ্থনীতিক সংস্কৃতিৰ প্ৰধান অৱলম্বন বুলিব পাৰি ।

**Space For Rough Work**